# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 03-09-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

-------------------

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই লাচিত বৰফুকন পুলিচ একাডেমীক ৰাষ্ট্ৰীয় মানৰ অত্যাধুনিক প্ৰশিক্ষণ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে বুলি প্ৰকাশ কৰিছে। অসম আৰক্ষীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলৰ সন্মিলনৰ দ্বিতীয়দিনৰ কাৰ্যসূচীত অংশ লোৱাৰ পাছত এখন সংবাদমেলত ড০ শৰ্মাই এইদৰে মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ আইন শৃংখলা পৰিস্থিতি যাতে কোনো কাৰণতে বিঘ্নিত নহয় তাৰ বাবে সময়োপযোগী সিদ্ধান্ত গ্ৰহণ আৰু অপৰাধী কাৰ্যকলাপ ৰোধ কৰাৰ বাবে অপৰাধৰ অনুসন্ধান আৰু দোষীক শাস্তি প্ৰদান, এই দুটা দিশৰ ওপৰত সন্মিলনত বিশেষভাৱে গুৰুত্ব দিয়া হয়।

(বাইট ঃ ড০ শৰ্মা)

মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীত নতুনকৈ দুটা বেটেলিয়ন গঠন কৰা হ'ব বুলি সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু শোধনাগাৰ তথা তৈলক্ষেত্ৰৰ সুৰক্ষাৰ বাবেও এটা বিশেষ বেটেলিয়ন গঠন কৰা হ'ব। ড০ শৰ্মাই অসম আৰক্ষীত খালী থকা পাঁচ হাজাৰৰো অধিক পদত নিযুক্তি দিয়া হ'ব বুলিও সংবাদমেলত প্ৰকাশ কৰে।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমী চৌহদৰ আন্তঃগাঁথনি উন্নয়নমূলক কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। তেওঁ লগতে ৰাজ্যৰ বিভিন্ন  আৰক্ষী থানা আৰু বেটেলিয়নত আবাসীক প্ৰকল্প আৰু চাৰিখন জিলাত আদৰ্শ আৰক্ষী চাউনিৰ নিৰ্মাণকাৰ্যৰ পৰ্যালোচনা কৰে।  ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে সংকট কালত মোকাবিলা কৰিব পৰাকৈ এই একাডেমীত আৰক্ষী জোৱানেৰে গঠন কৰা দ্ৰুত সঁহাৰি গোটৰ কৰ্মপদ্ধতিৰ বুজ লয়।

০০০০০

ৰাজ্যিক কৃতি শিক্ষক বঁটা-২০২৬ৰ বাবে ১৫ গৰাকী শিক্ষকক বাচনি কৰা হৈছে। ৰাজ্যিক পৰ্যায়ৰ নিৰ্বাচনী সমিতিৰ অনুমোদন মৰ্মে মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাই আজি এখন জাননীৰ জৰিয়তে কৃতি শিক্ষক বঁটা প্ৰাপকসকলৰ নাম ঘোষণা কৰে। যোৰহাট জিলাৰ মালৌৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্যামলিমা বৰা, কামৰূপ মহানগৰৰ কামাখ্যা বিদ্যালয় হাইস্কুলৰ সহকাৰী শিক্ষক বিজন ৰয় ভৌমিক, নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক মানৱ ভৰালী, ডিব্ৰুগড়ৰ পি এম শ্ৰী ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক ৰিজু কুমাৰ চুতীয়া, শোণিতপুৰৰ তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক প্ৰবীন কোচ, বৰপেটাৰ পি এম শ্ৰী ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰণেন্দ্ৰ কুমাৰ দাস, ধুবুৰীৰ  পি এম শ্ৰী জামাদৰহাট জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ স্নাতকোত্তৰ

শিক্ষক আজিজুৰ ৰহমান, নগাঁৱৰ বৰাপুজিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক মাণিক চন্দ্ৰ নাথ, কোকৰাঝাৰৰ হৰিণাগুৰি হাইস্কুলৰ সহকাৰী শিক্ষক বিবি প্ৰসাদ ব্ৰহ্ম, গোলাঘাটৰ চৌকীয়াল নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পুলস্কা ৰাজখোৱা, হোজাইৰ হাতীখালি অসমীয়া নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক সাৰংগ নিৰ্মলীয়া, ডিব্ৰুগড়ৰ ফটিকাছোৱা অভয়পুৰীয়া এম ভি এছৰ সহকাৰী শিক্ষক দিতিমণি দত্ত, দৰঙৰ ১৮২ নম্বৰ গোবিন্দধাম নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বেফুলা ডেকা শইকীয়া, কাছাৰৰ ৫৭ নম্বৰ টিকালপাৰ চাহবাগান নিম্ন প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক স্বস্ত্যায়ন দেৱ আৰু কাৰ্বি আংলঙৰ বকলিয়াঘাট চৰকাৰী এম ভি স্কুলৰ প্ৰধান শিক্ষক কামসিং হান্সেক কৃতি শিক্ষক বঁটাৰ বাবে বাচনি কৰা হৈছে।

অহা ৫ ছেপ্তেম্বৰত শিক্ষক দিৱসৰ দিনা পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত কৃতি শিক্ষক কেইগৰাকীক বঁটা প্ৰদান কৰা হ'ব।

০০০০০

অৰ্জুন বঁটাৰে সন্মানিত প্ৰথম অসমীয়া ক্ৰীড়াবিদ ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে আজি ৰাজ্যজুৰি অভিৰুচি ক্ৰীড়া দিৱস পালন কৰা হয়। ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইন্দোৰ ষ্টেডিয়ামত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ লৈ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে তেওঁৰ ভাষণত কয়, যে ৰাজ্যিক ক্ৰীড়া দিৱস সৈতে অৰ্জুন ভোগেশ্বৰ বৰুৱাৰ অতুলনীয় অৱদানৰ সোঁৱৰণ তথা উদযাপনৰ বিশেষ ক্ষণ। ভোগেস্বৰ বৰুৱাৰ সাফল্যই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰীড়াবিদসকলক প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি অনুপ্ৰাণিত কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰী দৈমাৰীয়ে কয়, যে উন্নত আন্তঃগাঁথনি, প্ৰশিক্ষণ, সুবিধা আৰু সুযোগ প্ৰদানৰ জৰিয়তে এটা শক্তিশালী ক্ৰীড়া পৰিৱেশ গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতিবদ্ধ।

আজিৰ অনুষ্ঠানত ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা উল্লেখনীয় অৱদান আৰু সেৱাৰ বাবে বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান প্ৰতিষ্ঠানক ৰাজ্যিক ক্ৰীড়া বঁটা, এন চি চি বীৰ চিলাৰায় বঁটা আৰু এন এছ এছ অসম ৰাজ্যিক বঁটা প্ৰদান কৰা হয়।

০০০০০০

বাক্সা জিলাৰ গোৱৰ্ধনা আৰক্ষী থানাৰ অন্তৰ্গত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বেঁকী নৈত আজি বিয়লি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে মৃত দেহটো বেঁকী নৈত ওপঙি থকা অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰে। পাছত স্থানীয় লোকে বাঁহবাৰী আৰক্ষী চকীত এই বিষয়ে অৱগত কৰাত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে আৰু মৰণোত্তৰ পৰীক্ষাৰ বাবে মুছলপুৰলৈ প্ৰেৰণ কৰে। বৰ্তমানলৈকে মৃতদেহটো চিনাক্ত কৰিব পৰা হোৱা নাই বুলি আমাৰ বাক্সাৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত